# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 07-10-2024
**Time :** 0705 hrs

*Assamese Morning Bulletin*

# HEADLINES

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আজি নতুন দিল্লীত মালদ্বীপৰ ৰাষ্ট্ৰপতি ড° মহম্মদ মুইজ্জুৰ সৈতে পাৰস্পৰিক স্বাৰ্থজড়িত দ্বিপাক্ষিক, আঞ্চলিক তথা আন্তঃৰাষ্ট্ৰীয় বিষয় সন্দৰ্ভত আলোচনাত মিলিত হ'ব।

২। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি নতুন দিল্লীত বাওপন্থী সন্ত্ৰাসবাদৰ দ্বাৰা প্ৰভাৱিত ৰাজ্যসমূহৰ মুখ্যমন্ত্ৰীসকলৰ সৈতে এখন পৰ্যালোচনা বৈঠকত অধ্যক্ষতা কৰিব।

৩। বিজ্ঞান আৰু প্ৰযুক্তি মন্ত্ৰী ড° জিতেন্দ্ৰ সিঙে কৈছে যে, মহাকাশ সম্পৰ্কীয় ষ্টাৰ্ট আপসমূহ ত্বৰান্বিত কৰিবলৈ এহেজাৰ কোটি টকাৰ পুঁজিৰ ব্যৱস্থা কৰা হৈছে।

৪। সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেণ ৰিজিজুৱে কৈছে যে, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত উত্তৰ-পূৰ্বাঞ্চল দ্ৰুতগতিত উন্নয়নৰ পথেৰে ধাৱিত হৈছে।

*আৰু*

৫। গোৱালিয়ৰত কালি নিশা অনুষ্ঠিত তিনিখনীয়া টি-টুৱেণ্টি ক্ৰিকেট শৃংখলাৰ প্ৰথমখন খেলত ভাৰতে বাংলাদেশক ৭ উইকেটত পৰাস্ত কৰে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আজি নতুন দিল্লীত মালদ্বীপৰ ৰাষ্ট্ৰপতি ড° মহম্মদ মুইজ্জুৰ সৈতে পাৰস্পৰিক স্বাৰ্থজড়িত দ্বিপাক্ষিক, আঞ্চলিক তথা আন্তঃৰাষ্ট্ৰীয় বিষয় সন্দৰ্ভত আলোচনাত মিলিত হ'ব। আলোচনাৰ অন্ততঃ দুয়োখন দেশৰ মাজত কেইবাখনো চুক্তি স্বাক্ষৰ হোৱাৰ সম্ভাৱনা আছে।

এই বৈঠকৰ পূৰ্বে ৰাষ্ট্ৰপতি ভৱনত মালদ্বীপৰ ৰাষ্ট্ৰপতিগৰাকীক আনুষ্ঠানিকভাৱে আদৰণি জনোৱা হ'ব। ড° মুইজ্জুৱে ৰাজঘাটত মহাত্মা গান্ধীৰ প্ৰতিমূৰ্তিত শ্ৰদ্ধাঞ্জলি অৰ্পণ কৰিব। তেওঁ লগতে ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু আৰু উপ ৰাষ্ট্ৰপতি জগদীপ ধনখড়কো সাক্ষাৎ কৰিব। ৰাষ্ট্ৰপতিগৰাকীয়ে কাইলৈ আগ্ৰা আৰু মুম্বাই ভ্ৰমণ কৰাৰ লগতে বুধবাৰে বেংগালুৰুলৈ যাব। উল্লেখযোগ্য যে, ড° মুইজ্জু কালি পাঁচদিনীয়া ভাৰত ভ্ৰমণসূচীৰে নতুন দিল্লীত উপস্থিত হয়। দেশখনৰ ৰাষ্ট্ৰপতি হিচাপে দায়িত্বভাৰ গ্ৰহণৰ পাছত এয়া হৈছে তেওঁৰ প্ৰথমটো দ্বিপাক্ষিক ভাৰত ভ্ৰমণ। ইয়াৰ পূৰ্বে তেওঁ চলিত বৰ্ষৰ জুন মাহত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু তেওঁৰ মন্ত্ৰী পৰিষদৰ শপতগ্ৰহণ অনুষ্ঠানত উপস্থিত আছিল।

মালদ্বীপ হৈছে ভাৰত মহাসাগৰ খণ্ডত ভাৰতৰ গুৰুত্বপূৰ্ণ সামুদ্ৰিক চুবুৰীয়া ৰাষ্ট্ৰ। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ **সাগৰ দৰ্শন আৰু ভাৰতৰ চুবুৰীয়া প্ৰথম নীতিত** মালদ্বীপৰ ভূমিকা বিশেষভাৱে উল্লেখনীয়। ৰাষ্ট্ৰপতি মুইজ্জুৰ এই

ভ্ৰমণে দুয়োখন দেশৰ মাজত সহযোগিতা বৃদ্ধি কৰাৰ লগতে জনসাধাৰণৰ মাজৰ সম্পৰ্ক সুদৃঢ় কৰিব বুলি আশা কৰা হৈছে। ভাৰতে মালদ্বীপৰ ৰাষ্ট্ৰীয় প্ৰতিৰক্ষা বাহিনীৰ বাবে বহুসংখ্যক প্ৰশিক্ষণৰ সুযোগ প্ৰদান কৰিছে। ইয়াৰ জৰিয়তে দেশখনৰ প্ৰতিৰক্ষা প্ৰশিক্ষণৰ প্ৰায় ৭০ শতাংশ প্ৰয়োজন পূৰ কৰা হয়।

০০০০০

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি নতুন দিল্লীত বাওপন্থী সন্ত্ৰাসবাদৰ দ্বাৰা প্ৰভাৱিত ৰাজ্যসমূহৰ মুখ্যমন্ত্ৰীসকলৰ সৈতে এখন পৰ্যালোচনা বৈঠকত অধ্যক্ষতা কৰিব। অন্ধ্ৰপ্ৰদেশ, বিহাৰ, ছত্তিশগড়, ঝাৰখণ্ড, তেলেংগানা, ওড়িশা, মহাৰাষ্ট্ৰ আৰু মধ্যপ্ৰদেশৰ মুখ্যমন্ত্ৰীসকলে এই বৈঠকত অংশগ্ৰহণ কৰিব। বাওপন্থী সন্ত্ৰাসবাদৰ দ্বাৰা প্ৰভাৱিত ৰাজ্যসমূহৰ বিকাশত সমৰ্থন আগবঢ়োৱা কাৰ্যৰ সৈতে বিশেষভাৱে জড়িত ৫ গৰাকী কেন্দ্ৰীয় মন্ত্ৰী বৈঠকত উপস্থিত থাকিব। তদুপৰি বৈঠকত ৰাষ্ট্ৰীয় সুৰক্ষা উপ পৰামৰ্শদাতাৰ লগতে কেন্দ্ৰ, ৰাজ্য তথা কেন্দ্ৰীয় সশস্ত্ৰ আৰক্ষী বাহিনীৰ শীৰ্ষ বিষয়াসকলেও অংশগ্ৰহণ কৰিব। গৃহ মন্ত্ৰালয়ৰ এটা বিবৃতিত প্ৰকাশ কৰা অনুসৰি কেন্দ্ৰীয় চৰকাৰ ২০২৬ চনৰ মাৰ্চ মাহৰ ভিতৰত বাওপন্থী সন্ত্ৰাসবাদ সম্পূৰ্ণৰূপে নিৰ্মূল কৰিবলৈ বদ্ধ পৰিকৰ। কেন্দ্ৰই এনে ৰাজ্যসমূহক নক্সালবাদৰ বিৰুদ্ধে যুঁজ দিবলৈ যাৱতীয় সহযোগিতা আগবঢ়াইছে বুলিও বিবৃতিটোত প্ৰকাশ কৰা হৈছে। মন্ত্ৰালয়ে প্ৰকাশ কৰা অনুসৰি নৰেন্দ্ৰ মোদী চৰকাৰৰ ৰণনীতিৰ বাবে ২০১০ চনৰ তুলনাত ২০২৩ চনত বাওপন্থী সন্ত্ৰাসবাদৰ হিংসাত্মক কাৰ্যকলাপ ৭২ শতাংশলৈ হ্ৰাস পোৱাৰ লগতে মৃত্যুৰ সংখ্যা ৮৬ শতাংশলৈ হ্ৰাস পাইছে। আনহাতে ২০২৪ চনত বৰ্তমানলৈকে নিৰাপত্তা বাহিনীৰ হাতত ২০২টা বাওপন্থী সন্ত্ৰাসবাদীৰ মৃত্যু হোৱাৰ লগতে ৭২৩টা সন্ত্ৰাসবাদীয়ে আত্মসমৰ্পন কৰিছে তথা ৮১২টা সন্ত্ৰাসবাদীক আটক কৰা হৈছে। একেদৰে এই বছৰত বাওপন্থী সন্ত্ৰাসবাদ প্ৰভাৱিত জিলাৰ সংখ্যাও ৩৪লৈ হ্ৰাস পাইছে। মন্ত্ৰালয়ে কৈছে যে, চৰকাৰে প্ৰভাৱিত ৰাজ্যসমূহৰ অতি ভিতৰুৱা অঞ্চলসমূহৰ উন্নয়নৰ বাবে পথ আৰু মোবাইল যোগাযোগৰ সুবিধাকে ধৰি বিভিন্ন পদক্ষেপ গ্ৰহণ কৰিছে। এই অঞ্চলসমূহত ১৪ হাজাৰ কিলোমিটাৰতকৈও অধিক পথ নিৰ্মাণ কৰাৰ লগতে প্ৰায় ছহেজাৰ মোবাইল টাৱাৰ স্থাপন কৰা হৈছে বুলিও বিবৃতিটোত প্ৰকাশ কৰা হৈছে।

০০০০০

উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী যোগী আদিত্য নাথে কালি প্ৰয়াগৰাজত মহাকুম্ভ ২০২৫ৰ নতুন বহুৰঙী প্ৰতীক উন্মোচন কৰে। এই প্ৰতীকে ধৰ্মীয় আৰু অৰ্থনৈতিক সমৃদ্ধিৰ লগতে সাগৰ মন্থনত উৎপত্তি হোৱা পৱিত্ৰ অমৃত কলহক চিহ্নিত কৰিছে। এই প্ৰতীকটোত সনাতন সভ্যতাৰ প্ৰকৃতি আৰু মানৱতাৰ সংগমক প্ৰতিনিধিত্ব কৰা এটা মন্দিৰ, ঈশ্বৰৰ দূত, এটা কলহ, অক্ষয়বট গছ আৰু হনুমানৰ প্ৰতিমূৰ্তি আছে। তদুপৰি প্ৰতীকটোত আত্মসচেতনতা আৰু জনকল্যাণৰ অবিৰত ধাৰাক প্ৰতিফলিত কৰা হৈছে।

০০০০০

গুজৰাট চৰকাৰে ২০০১ চনত নৰেন্দ্ৰ মোদীয়ে আজিৰ দিনটোত মুখ্যমন্ত্ৰীৰ দায়িত্বভাৰ গ্ৰহণ কৰাৰ সৈতে সংগতি ৰাখি ৰাজ্যখনৰ বিকাশৰ যাত্ৰা উদযাপন কৰাৰ উদ্দেশ্যে আজিৰ পৰা বিকাশ সপ্তাহ পালন কৰিব। কেবিনেট মন্ত্ৰী ৰুচিকেশ পেটেলে সংবাদ মাধ্যমৰ আগত সদৰী কৰা অনুসৰি এই সপ্তাহটোত উল্লেখযোগ্য স্থানসমূহত বিকাশ পদযাত্ৰাকে ধৰি এলানি কাৰ্যসূচী অনুষ্ঠিত কৰা হ'ব। তদুপৰি এই সময়ছোৱাত ৰাজ্যখনত ৩ হাজাৰ ৫০০ কোটি টকাতকৈ অধিক নিৰ্মাণ ব্যয় সাপেক্ষে বিভিন্ন উন্নয়নমূলক কামৰ সূচনা কৰা হ'ব। এই কাৰ্যসূচীৰ জৰিয়তে নৰেন্দ্ৰ মোদীৰ প্ৰশাসন সন্দৰ্ভত জনসাধাৰণে তেওঁলোকৰ অভিজ্ঞতা বিনিময় কৰিব পাৰিব।

০০০০০

বিজ্ঞান আৰু প্ৰযুক্তি মন্ত্ৰী ড° জিতেন্দ্ৰ সিঙে কৈছে যে, মহাকাশ সম্পৰ্কীয় ষ্টাৰ্ট আপসমূহ ত্বৰান্বিত কৰিবলৈ এহেজাৰ কোটি টকাৰ পুঁজিৰ ব্যৱস্থা কৰা হৈছে। নতুন দিল্লীত মোদী চৰকাৰৰ তৃতীয়টো কাৰ্যকালৰ ১০০ দিন সম্পূৰ্ণ হোৱা উপলক্ষে মতপ্ৰকাশ কৰি মন্ত্ৰীগৰাকীয়ে কয় যে, দেশত মহাকাশ সম্পৰ্কীয় ষ্টাৰ্ট আপৰ সংখ্যা বিগত ১০ বছৰত ডেৰ লাখতকৈ অধিক হৈ পৰাৰ জৰিয়তে বিশ্বত এই ক্ষেত্ৰত ভাৰতৰ স্থান তৃতীয়লৈ উন্নীত হৈছে। তেওঁ লগতে সদৰী কৰে যে, অতি কম সময়ৰ ভিতৰত মহাকাশ খণ্ডত একক সংখ্যাৰ পৰা দুই শতাধিক মহাকাশ সম্পৰ্কীয় ষ্টাৰ্ট আপৰ সূচনা হৈছে। নৰেন্দ্ৰ মোদী চৰকাৰে মহাকাশ খণ্ডত ১০০ শতাংশ প্ৰত্যক্ষ বিদেশী বিনিয়োগৰ অনুমতি প্ৰদান কৰাৰ জৰিয়তে নতুন উদ্যমী তথা পদক্ষেপসমূহ উপকৃত হৈছে।

০০০০০

হাৰিয়ানা তথা জম্মু-কাশ্মীৰ বিধানসভা নিৰ্বাচনৰ কাইলৈ ভোটগণনা কৰা হ'ব। কেন্দ্ৰীয় শাসিত অঞ্চলটোত এই উপলক্ষে প্ৰস্তুতি সম্পূৰ্ণ হৈ উঠিছে। জম্মু-কাশ্মীৰৰ বিধানসভা নিৰ্বাচনৰ ৯০ খন আসনৰ বাবে কাইলৈ হ'বলগীয়া ভোটগ্ৰহণ উপলক্ষে জিলা সদৰসমূহত কটকটীয়া নিৰাপত্তাৰ ব্যৱস্থা কৰা হৈছে। উল্লেখযোগ্য যে, ২০১৯ চনত সংবিধানৰ ৩৫ এ আৰু ৩৭০ নম্বৰ অনুচ্ছেদ বাতিল কৰাৰ পাছত কেন্দ্ৰীয়শাসিত অঞ্চলটোত প্ৰথমবাৰৰ বাবে চৰকাৰ গঠনৰ দিশে আগবাঢ়িছে। ১০ বছৰৰ বিৰতিৰ পাছত অঞ্চলটোত শেহতীয়াকৈ তিনিটা পৰ্যায়ত অনুষ্ঠিত নিৰ্বাচনত বিপুল সংখ্যক নাগৰিকে তেওঁলোকৰ ভোটাধিকাৰ সাব্যস্ত কৰি ভোটদান প্ৰক্ৰিয়াত অংশগ্ৰহণ কৰা পৰিলক্ষিত হয়। অঞ্চলটোত ৮৭৩ গৰাকী প্ৰাৰ্থীৰ ৰাজনৈতিক ভাগ্য ই ভি এমত বন্দী হৈছে। ইয়াৰ ভিতৰত কোনসকল সদস্যই নিৰ্বাচনত জয় লাভ কৰি জম্মু-কাশ্মীৰ বিধানসভাত স্থান কৰে তথা কোনটো দলে চৰকাৰ গঠন কৰে সেয়া লক্ষ্যণীয় হ'ব। ইতিমধ্যে মুখ্য নিৰ্বাচনী বিষয়া পাণ্ডুৰং কে. প'লে কাইলৈ ভোটগণনা সূচাৰুৰূপে সম্পন্ন কৰাৰ উদ্দেশ্যে যাৱতীয় প্ৰস্তুতি সম্পূৰ্ণ হৈ উঠিছে বুলি সদৰী কৰিছে।

০০০০০

হাৰিয়ানাত ৯০টা বিধানসভা সমষ্টিৰ ভোটগণনাৰ বাবে ৯০টা ভোটগণনা কেন্দ্ৰ স্থাপন কৰা হৈছে। ৰাজ্যখনৰ মুখ্য নিৰ্বাচনী বিষয়া পংকজ আগৰৱালে কয় যে, ২২ খন জিলাৰ সদৰসমূহত এই কেন্দ্ৰসমূহ স্থাপন কৰা হৈছে। কাল্‌কা আৰু পঞ্চকুলা সমষ্টিৰ ভোটগণনা পঞ্চকুলাত, নাৰায়ণগড়, আম্বালা কেণ্টনমেণ্ট, আম্বালা চিটী আৰু মুল্লানা আসন কেইখনৰ বাবে আম্বালাৰ চাৰিটা কেন্দ্ৰত আৰু য়মুনা নগৰ জিলাৰ চাৰিখন আসনৰ বাবে য়মুনা নগৰৰ কেন্দ্ৰসমূহত ভোটগণনা কৰা হ'ব বুলি তেওঁ সদৰী কৰে। তেওঁ লগতে কয় যে, সকলো ষ্ট্ৰং ৰূম চি চি টিভিৰ পৰ্যবেক্ষণত ৰখা হৈছে। তদুপৰি ই ভি এমসমূহ তিনি তৰপীয়া নিৰাপত্তা ব্যৱস্থাৰ মাজত ৰখা হৈছে। ষ্ট্ৰং ৰূমসমূহৰ নিৰাপত্তা সুনিশ্চিত কৰাৰ বাবে হাৰিয়ানা আৰক্ষী আৰু অৰ্ধ সামৰিক বাহিনী মোতায়েন কৰা হৈছে। ভোটগ্ৰহণ সম্পন্ন হোৱাৰ পাছত ই ভি এম তথা ভি ভি পি এ টি যন্ত্ৰ সমূহ ষ্ট্ৰং ৰূমত ৰাখি কোঠাসমূহ ছীল কৰা হৈছে বুলি তেওঁ প্ৰকাশ কৰে।

০০০০০

সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেণ ৰিজিজুৱে কৈছে যে, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত উত্তৰ-পূৰ্বাঞ্চল দ্ৰুতগতিত উন্নয়নৰ পথেৰে ধাৱিত হৈছে। এটা সংবাদ প্ৰতিষ্ঠানৰ সৈতে হোৱা সাক্ষাৎকাৰত মন্ত্ৰীগৰাকীয়ে কয় যে, মণিপুৰৰ কিছু সংখ্যক ঘটনাৰ বাহিৰে সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলতে বৰ্তমান শান্তি বিৰাজ কৰিছে। কংগ্ৰেছ দলক

সমালোচনা কৰি তেওঁ কয় যে, দলটোৱে অঞ্চলটোৰ বিকাশৰ বাবে কোনো ধৰণৰ গঠনমূলক কাম কৰা নাই। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দায়িত্বভাৰ গ্ৰহণ কৰাৰ পাছত ১০ হাজাৰতকৈ অধিক উগ্ৰপন্থীয়ে অস্ত্ৰসহ আত্মসমৰ্পন কৰি মূল সুঁতিলৈ উভতি আহিছে বুলিও তেওঁ মত প্ৰকাশ কৰে।

০০০০০

গোৱালিয়ৰত কালি নিশা অনুষ্ঠিত তিনিখনীয়া টি-টুৱেণ্টি ক্ৰিকেট শৃংখলাৰ প্ৰথমখন খেলত ভাৰতে বাংলাদেশক ৭ উইকেটত পৰাস্ত কৰে। ১২৮ ৰানৰ লক্ষ্য অনুসৰণ কৰি ভাৰতে ১১ অভাৰ ৫টা বলত খেলখনত জয় লাভ কৰে। ভাৰতৰ হৈ সঞ্জু ছেমছন আৰু সূৰ্য কুমাৰ য়াদৱে ২৯ ৰানকৈ সংগ্ৰহ কৰাৰ বিপৰীতে হাৰ্দিক পাণ্ডিয়াই ১৬টা বলত ৩৯ ৰান সংগ্ৰহ কৰি অপৰাজিত হৈ থাকে। বাংলাদেশৰ হৈ মুস্তাফিজুৰ ৰহমান আৰু মেহিদী হাছান মিৰাজে এটাকৈ উইকেট সংগ্ৰহ কৰে। ইয়াৰ পূৰ্বে বেট ধৰি বাংলাদেশে আটাইকেইটা উইকেট হেৰুৱাই ১২৭ ৰান সংগ্ৰহ কৰে। মেহিদী হাছান মিৰাজে বাংলাদেশৰ হৈ সৰ্বাধিক ৩৫ ৰান সংগ্ৰহ কৰে। ভাৰতৰ অৰ্শদীপ সিং আৰু বৰুন চক্ৰৱৰ্তীয়ে তিনিটাকৈ উইকেট সংগ্ৰহ কৰে। অৰ্শদীপ সিঙক প্লেয়াৰ অব দ্যা মেছ ঘোষণা কৰা হয়। শৃংখলাটোৰ দ্বিতীয়খন খেল অহা বুধবাৰে নতুন দিল্লীৰ অৰুণ জেটলী আন্তঃৰাষ্ট্ৰীয় ষ্টেডিয়ামত সন্ধিয়া ৭ বজাৰ পৰা খেলোৱা হ'ব।

০০০০০

**সমাপ্ত**